# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-02-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------

১। কেন্দ্ৰীয় কৰৰ অংশ হিচাপে অসমক অহা বিত্তীয় বৰ্ষত ৪৪ হাজাৰ ৪৯৪ কোটি টকা ঘূৰাই দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত।

২। অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিৱেশনৰ আজি বুৰঞ্জী সন্মিলনেৰে চতুৰ্থ দিনৰ কাৰ্যসূচী আৰম্ভ।

৩। আজি সৰস্বতী পূজা। পুৱাৰে পৰা বাগদেৱীৰ বন্দনাত মুখৰ ৰাজ্যৰ চৌদিশ।

৪। ১৩টা পদক লাভেৰে ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ জয়যাত্ৰা অব্যাহত।

*আৰু*

৫। মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত কালি অনুষ্ঠিত ভাৰত আৰু ইংলেণ্ডৰ মাজৰ ৫ খনীয়া টি-টুৱেণ্টী শৃংখলাৰ অন্তিমখন খেলত বৃহৎ ব্যৱধানত ভাৰতৰ জয়লাভ।

oooooo

অহা বিত্তীয় বৰ্ষত কেন্দ্ৰীয় কৰৰ অংশ হিচাপে অসমে মুঠ ৪৪ হাজাৰ ৪৯৪ কোটি টকা লাভ কৰিব। চলিত বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰে এই কৰৰ অংশ হিচাপে ৪০ হাজাৰ ২৫৩ কোটি টকা অসমক ঘূৰাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই হিচাপত অহা বিত্তীয় বৰ্ষত কেন্দ্ৰীয় কৰৰ অংশ হিচাপে ৰাজ্য চৰকাৰে ৪ হাজাৰ ২৪০ কোটি টকা বেছিকৈ লাভ কৰিব। অহা বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰে কৰ্পোৰেট কৰ হিচাপে ১২ হাজাৰ ৪২৪ কোটি টকা, আয়কৰ হিচাপে ১৬ হাজাৰ ৫৭৭ কোটি টকা, কেন্দ্ৰীয় জি এছ টি ১২ হাজাৰ ৯৫৩ কোটি টকা, শুল্ক দুহেজাৰ ৪৭ কোটি টকা, কেন্দ্ৰীয় আবকাৰী শুল্ক ৪ শ ২৫ কোটি টকা, সেৱা কৰ ১ কোটি ২৪ লাখ টকা, অন্যান্য কৰ আৰু শুল্ক ৬৪ কোটি ১২ লাখ টকা লাভ কৰিব।

oooooo

অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিৱেশনৰ আজি চতুৰ্থ দিন। আজি পুৱা চাৰে ৯ বজাত বুৰঞ্জী সন্মিলনেৰে আজিৰ কাৰ্যসূচী আৰম্ভ হ'ব। দিনৰ চাৰে ১১ বজাত বজালী ভিত্তিত লোক সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হ'ব। দুপৰীয়া ২ বজাত অধিৱেশনৰ দ্বিতীয় মুকলি সভা অনুষ্ঠিত হ'ব। আনহাতে বিয়লি ৪ বজাত যুৱ সংসদ, সন্ধিয়া চাৰে ৬ বজাত সাংস্কৃতিক সন্মিলন আৰু চাৰে ৭ বজাত সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। কালি অধিৱেশনত প্ৰথমখন মুকলি সভাত নৱনিৰ্বাচিত সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে আগবঢ়োৱা অভিভাষণত সাহিত্য সভাৰ সংস্কাৰ সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ মত আগবঢ়ায়। ভাষণ প্ৰসংগত তেওঁ উমৈহতীয়া সামাজিক স্বাৰ্থত নিষ্ঠাৰে কাম কৰিব নোৱাৰিলে অসম সাহিত্য সভাৰ প্ৰাসংগিকতা নাথাকিব বুলি প্ৰকাশ কৰিছে।

একেদৰে অসম সাহিত্য সভাই অসমৰ নবীন-প্ৰবীণ সাহিত্যিকসকলক একেখন মঞ্চত বহুৱাব নোৱাৰিলে তথা সকলো জনগোষ্ঠীয় সাহিত্য সভাক আস্থাত লৈ বিদ্যায়নিত কৰ্মত আগবাঢ়িব নোৱাৰিলে সভা জাকৰ পিছুপৰা চৰাই হৈ ৰ'ব লাগিব বুলিও তেওঁ কয়। সাহিত্য সভাক আগবঢ়াই নিবলৈ লৈ সভাপতিৰ লগতে সভাৰ মূল বিষয়ববীয়াসকলেও নিজকে সেৱক হিচাপে নিয়োগ কৰিব লাগিব সভাপতিগৰাকীয়ে ভাষণত উল্লেখ কৰে। সভাত বিগত সময়ত দেখা দিয়া বিষয়বাবৰ প্ৰতি আসক্তি, লবিকেন্দ্ৰীক ৰাজনীতি তথা সু-পৰিকল্পনাৰ অভাৱ আদি বিষয়ত সভাপতিগৰাকীয়ে উদ্বেগ প্ৰকাশ কৰে। কালি তৃতীয় দিনা অনুষ্ঠিত অধিৱেশনৰ প্ৰথমখন মুকলি সভাৰ সভাপতিৰ অভিভাষণৰ কিয়দাংশ শুনো আহক ঃ

*-বাইট-*

কালি তৃতীয় দিনাৰ কাৰ্যসূচী হিচাপে সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি ড° বসন্ত কুমাৰ গোস্বামীক ময়ুৰপংক্ষী ৰথত লৈ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। কালিৰ কাৰ্যসূচীতে অসম সাহিত্য সভাৰ বিদায়ী সভাপতি ড° সূৰ্যকান্ত হাজৰিকাই নতুন সভাপতি ড° বসন্ত কুমাৰ গোস্বামীক আদৰণি জনাই সভাপতিৰ দায়িত্ব আনুষ্ঠানিকভাৱে অৰ্পন কৰে।

অধিৱেশনৰ কালিৰ কাৰ্যসূচী **ধ্ৰুপদী অসমীয়া ভাষা** শীৰ্ষক এখন আলোচনা চক্ৰৰে আৰম্ভ হয়।

পাঠশালাত হৈ থকা সাহিত্য সভাৰ অধিবেশনৰ মাজতে তৰুণ কবি লেখক অভিজিত গগৈলৈ অসম সাহিত্য সভাৰ যুৱ বঁটা ঘোষণা কৰা হৈছে। অসম সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি মৃনালিনী দেৱীলৈ সাহিত্য সভাই জীৱনজোৰা সাহিত্য সেৱা সন্মান আগবঢ়াইছে। কাইলৈ পাঠশালাৰ অধিবেশন প্ৰাঙ্গনতে দুয়োকে অসম সাহিত্য সভাই এই সন্মান আনুষ্ঠানিকভাৱে আগবঢ়াব।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি পুৱাৰে পৰা বিদ্যা আৰু সুকুমাৰ কলাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা-অৰ্চনা কৰা হৈছে। অৱশ্যে এইবাৰ সৰস্বতী পূজাৰ তিথি দুদিনীয়া হোৱাৰ বাবে কোনো কোনো অঞ্চলত কালি সৰস্বতী পূজা পালন কৰা হয়। আজি গুৱাহাটী মহানগৰীৰ বিভিন্ন শিক্ষানুষ্ঠান প্ৰতিষ্ঠানত এই পূজাৰ বাবে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। পূজা মণ্ডপসমূহ আটক ধুনীয়াকৈ সজাই-পৰাই তোলা হৈছে।

০০০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক যোৰহাট অধিৱেশনলৈ মাজত মাথো কেইটামান দিনহে বাকী থকা অৱস্থাত আয়োজক সমিতিৰ প্ৰস্তুতি তুংগত উঠিছে। এইবাৰৰ অধিৱেশন যোৰহাটৰ ম'হবন্ধাৰ এৰালতলী পথাৰত অহা ৬ৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ আয়োজন কৰা হৈছে। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিযেশে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংগীসকলৰ উপৰি কাষৰীয়া জিলাসমূহৰ পৰা অহা হাজাৰ হাজাৰ ভক্তই শ্ৰমদান কৰি অধিৱেশন সফল কৰি তুলিবলৈ প্ৰচেষ্টা চলাইছে। ১২শ বিঘা মাটিৰে আগুৰা এৰালতলী পথাৰৰ ভূমিত সংঘৰ ভকত-বৈষ্ণৱৰ লগতে ইছলামধৰ্মী লোকসকলেও স্বেচ্ছাই শ্ৰমদান কৰিছে। এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া ক্ষেত্ৰ সাজু কৰি তোলাৰ বাবে যুদ্ধকালীন তৎপৰতাৰে ইছলাম ধৰ্মাৱলম্বী লোক সকলেও স্বইচ্ছাই শ্ৰমদান কৰিছে। ইছলাম ধৰ্মাৱলম্বী লোক সকলৰ এই শ্ৰমদানে ভাতৃত্ববোধ আৰু শান্তিৰ বাণী বিলাইছে। অধিৱেশন উপলক্ষে চৰকাৰী বিভাগসমূহে ইতিমধ্যে বিদ্যুৎৰ ব্যৱস্থা, খোৱাপানীৰ ব্যৱস্থা, পথ নিৰ্মাণ কৰি যাতায়াতৰ সু-ব্যৱস্থা আদি যাৱতীয় কামসমূহ সম্পূৰ্ণ কৰিছে। অধিৱেশনত বিশেষ প্ৰতিনিধি শিবিৰ, বৃহৎ সেৱা বাহিনীৰ সভাকক্ষ, ২০০ প্ৰতিনিধি

শিবিৰ, বাণিজ্য মেলা, প্ৰদৰ্শনী, গ্ৰন্থমেলা, বহিঃবাণিজ্য, ভোজনালয়, ৰান্ধনিশাল, কেন্দ্ৰীয় ভঁৰাল, বিভিন্ন বিভাগৰ কাৰ্যালয় আৰু মূল মণ্ডপ ইতিমধ্যে নিৰ্মাণ কৰা হৈছে। অধিৱেশনস্থলীত নাট ঘৰ, নামঘৰ আৰু পতাকা উত্তোলন বেদিও আদিও নিৰ্মাণ কৰা হৈছে। অধিৱেশনস্থলীত নিৰ্মাণ কৰা প্ৰতিটো নিৰ্মাণ কাৰ্যই বাঁহ, খেৰ, নৰা আদি প্ৰাকৃতিক সামগ্ৰীৰে নিৰ্মাণ কৰা দেখা গৈছে।

oooooo

অসমৰ সত্ৰসমূহত বা ব্যক্তিগত বাসস্থানত থকা সাঁচিপতীয়া পুথিসমূহ স্কেন কৰি পৰৱৰ্তী সময়ত প্ৰযুক্তিৰ সহায়েৰে ইউনিকোডত লিপিবদ্ধ কৰি মুক্ত উৎসৰ ডিজিটেল প্লেটফৰ্মত সংৰক্ষণ কৰা হ'ব। এই উদ্দেশ্যে কালি কলিয়াবৰত এটা উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। সাঁচিপতীয়া পুথিৰ ডিজিটাইজেচন আৰু নথিভুক্ত কৰাৰ বাবে অসমীয়া ৱিকিমিডিয়া ফাউণ্ডেচন, অসমৰ অন্তৰ্গত **সৰাপাতৰ সৌৰভ প্ৰকল্পৰ** অধীনত এই অনুষ্ঠান অনুষ্ঠিত হয়। ৱিকিমিডিয়া ফাউণ্ডেচনে বিশ্বৰ বিভিন্ন ভাষাৰ কেইবাশ বছৰ পুৰণি সাহিত্য নিজ নিজ ভাষাতে পাঠোদ্ধাৰ কৰি ইউনিকোডৰ জৰিয়তে ইণ্টাৰনেটত লাভ কৰাৰ সুবিধাৰ বাবে কাম কৰি আহিছে। অসমত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আগৰ পৰাই নানা সাহিত্য ৰচনা কৰা হৈছে যদিও সাঁচিপতীয়া পুথিসমূহৰ সংৰক্ষণৰ অভাৱত বহুখিনি নষ্ট হৈছে। সময় থাকোঁতে এই অমূল্য সম্পদৰাজি ডিজিটেল মাধ্যমত সংৰক্ষিত কৰিলে আমাৰ ভাষা-সাহিত্য সুৰক্ষিত হ'ব বুলি ৱিকিমিডিয়া ফাউণ্ডেচনে মত প্ৰকাশ কৰে। কালিৰ অনুষ্ঠানত ৱিকিমিডিয়া ফাউণ্ডেচন অসমৰ প্ৰনামিকা অধিকাৰী, অনিমেশ বৰা আৰু নয়নজ্যোতি নাথ আদিৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

চেন্নাইত কালি বড়োলেণ্ড বিধানসভা পৰিষদৰ অধ্যক্ষ কাতিৰাম বড়োৱে নতুন বড়োলেণ্ড অতিথিশালা এটা মুকলি কৰে। এই অনুষ্ঠানত উপাধ্যক্ষ অভিৰাম মহানায়কৰ লগতে বহুকেইগৰাকী কাৰ্যকৰী সদস্য উপস্থিত আছিল।

oooooo

ৰাষ্ট্ৰীয় ক্ৰীড়াত এই পৰ্যন্ত ১৩টা পদক লাভ কৰি অসমে জয়যাত্ৰা অক্ষুন্ন ৰাখিছে। আজি ৰাষ্ট্ৰীয় ক্ৰীড়াৰ কেইবাটাও শিতানত অসমে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। বক্সিঙৰ ৫১ কিলোগ্ৰাম তলৰ শাখাত গৌৰৱ মজুমদাৰে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। পুৰুষৰ লন বলত অসম উত্তৰাখণ্ডৰ মুখামুখি হোৱাৰ লগতে মহিলা শাখাত অসম-দিল্লী মুখামুখি হ'ব।

ইপিনে, অসমৰ পুৰুষ ফুটবল দলটোৱে উত্তৰাখণ্ডক ১-০ গ'লত পৰাস্ত কৰি ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ ফুটবলৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। আজি অসম মিজোৰামৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। লক্ষণীয়ভাৱে অসমৰ ফুটবল দলটোৱে সুদীৰ্ঘ ১৮ বছৰৰ পিছত এইবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বাবে যোগ্যতা অৰ্জন কৰিছে। অসম দলে ২০০৭ চনত গুৱাহাটীত অনুষ্ঠিত ৰাষ্ট্ৰীয় ক্ৰীড়াত স্বৰ্ণৰ পদক অৰ্জন কৰিছিল।

কালি ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ ভাৰোত্তোলক মৃদুস্মিতা বৰুৱাই ৰূপৰ পদক অৰ্জন কৰে। ভাৰোত্তোলকগৰাকীয়ে ৮৭ কিলোগ্ৰাম শাখাত ভাগ লৈ স্নেচছত ৯৫ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১১৩

কিলোগ্ৰাম ভাৰোত্তোলনেৰে ৰূপৰ পদক দখল কৰিবলৈ সক্ষম হৈছে। মৃদুস্মিতা বৰুৱাৰ সফলতাৰে উত্তৰাখণ্ডত চলি থকা ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত অসমৰ পদক ১৩ টালৈ বৃদ্ধি পাইছে।

০০০০০০

যোৱা নিশা মুম্বাইৰ ৱানখাৰে ষ্টেডিয়ামত ভাৰত-ইংলেণ্ডৰ মাজত অনুষ্ঠিত পুৰুষৰ টি-২০ ক্ৰিকেটৰ পাঁচখনীয়া শৃংখলাৰ অন্তিমখন খেলত ১৫০ ৰানৰ ব্যৱধানত ভাৰতে জয়লাভ কৰে। এই জয়ৰ দ্বাৰা ভাৰতে পাঁচখনীয়া শৃংখলাত ৪-১ফলাফল লাভ কৰিবলৈ সমৰ্থ হয়। কালিৰ খেলখনত ভাৰতে ২৪৮ ৰানৰ টাৰ্গেট বান্ধি দিছিল যদিও ১০ অভাৰ আৰু তিনিটা বলত ইংলেণ্ডে মাত্ৰ ৯৭ ৰান সংগ্ৰহ কৰি অলআউট হয়। অপেনাৰ ফিলিপ ছল্টে ইংলেণ্ডৰ হৈ সৰ্বাধিক ৫৫ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ মহম্মদ স্বামীয়ে তিনিটা উইকেট, বৰুণ চক্ৰৱৰ্তী-শিভম ডুবে আৰু অভিষেক শৰ্মাই দুটাকৈ উইকেট দখল কৰে। প্ৰথমে বেট ধৰি ভাৰতে নিৰ্ধাৰিত ২০অভাৰত ৯উইকেটৰ বিনিময়ত ২৪৭ৰান সংগ্ৰহ কৰিছিল। কালিৰ খেলখনত অভিষেক শৰ্মাক প্লেয়াৰ অব দা মেচ্‌ সন্মান প্ৰদান কৰা হয়। ইফালে পাঁচখনীয়া শৃংখলাত বৰুণ চক্ৰৱৰ্তীক প্লেয়াৰ অব দি চিৰিজ সন্মান প্ৰদান কৰা হয়।

০০০০০০

## NEWSPAPER REVIEW

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰতিখন বাতৰি কাকতে বহুকেইটা গুৰুত্বপূৰ্ণ বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। অসম সাহিত্য সভাৰ সপ্ত সপ্ততিতম দ্বিবাৰ্ষিক অধিৱেশনৰ কালি তৃতীয় দিনাৰ কাৰ্যসূচীৰ লগতে বৰ্ণিল শোভাত্ৰাৰ বাতৰি আজি আটাইকেইখন কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। দৈনিক অসম কাকতে আত্মশুদ্ধিৰ পথৰ সন্ধানত নতুন সভাপতি, আমাৰ অসম কাকতত ৰাজহংসত উঠি নতুন স্বপ্নৰ অন্বেষণ, দি আছাম ট্ৰিবিউন কাকতে sahitya Sabha a Uniting force, Dr Goswami, নিয়মীয়া বাৰ্তা কাকতে স্বৰ্পিল কৃষ্টিৰে নৱনিৰ্বাচিত সভাপতিক আদৰণি, দৈনিক জনমভূমি কাকতে বৰ্ণিল শোভাযাত্ৰাত উজলিল বৰ অসম, দ্যা চেণ্টিনেল কাকতে Assam sahitya Sabha showcases cultural best with 5 lakh storng procession আদি শিৰোনামেৰে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে ২৭ কোটি টকাৰ ১৭০ বিঘা ভূমিৰ আফিঙৰ খেতি ধ্বংস আৰক্ষীৰ শিৰোনামেৰে এটা বাতৰি প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে লেপেটকাটা বাগিচাত হ'ব মাল্টিস্পেচিয়েলিটি হাস্পতাল, দক্ষতা বিকাশ কেন্দ্ৰ, টি টুৰিজিম শিৰোনামেৰে আন এটা বাতৰি প্ৰকাশ কৰিছে।

ভাৰতক আমদানি শুল্ক ৰেহাই ট্ৰাম্পৰ শীৰ্ষক আন এটা বাতৰি দৈনিক অসম কাকতে প্ৰকাশ কৰিছে।

২৪০ গৰাকী সাংসদক দিল্লীত নমাই দিছে বিজেপিয়ে আন এটা বাতৰি আমাৰ অসম কাকতত প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

ষষ্ঠ দশকৰ সুকণ্ঠি গায়িকা বীণা ভাগৱতীৰ আজি পুৱা গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা পথৰ নিজা বাসভৱনত বাৰ্ধক্যজনিত কাৰণত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৮ বছৰ। ১৯৩৭ চনত গুৱাহাটীৰ উজান বজাৰত এটা সংস্কৃতিবান পৰিয়ালত জন্মগ্ৰহণ কৰা বীণা ভাগৱতীয়ে পঢ়া-শুনাৰ লগতে সংগীতৰ প্ৰতিও ৰাপ আছিল। আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত শিল্পী বীণা ভাগৱতীৰ কেইবাখনো গ্ৰমোফোন ৰেকৰ্ডে সংগীতপ্ৰেমীৰ মাজত প্ৰভূত জনপ্ৰিয়তা অৰ্জন কৰিছিল। তেওঁৰ জনপ্ৰিয় গীতসমূহৰ ভিতৰত– ৰহদৈ অ', এয়া নিৰমলা নদীৰে ঘাট, উকুলি মুকুলি মুকলিতে খেলা আদি গীতসমূহে শ্ৰোতাৰ হৃদয়ত আজিও আনন্দ দিয়ে।

***(বাইট)***

তেওঁৰ শেষকৃত্য আজি নৱগ্ৰহ শ্মসানত সম্পন্ন কৰা হ'ব।

০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰাক্তন মুৰব্বী তথা ৰাজ্যৰ সংস্কৃতি গৱেষণা ক্ষেত্ৰত এক উজ্বল নক্ষত্ৰস্বৰূপ অধ্যাপক ড০ অশোক কুমাৰ গোস্বামীৰ শনিবাৰৰ নিশা মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯১ বছৰ। প্ৰসিদ্ধ প্ৰাচ্যতত্ববিদ, অসম সাহিত্য সভাৰ সদস্যমহিয়ান, ৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত সংস্কৃত পণ্ডিত তথা **আবিলেক**ৰ প্ৰাক্তন সচিব ড০ অশোক কুমাৰ গোস্বামীয়ে বহুকেইখন, সংস্কৃত, ইংৰাজী, অসমীয়া ভাষাৰ সাহিত্য আৰু গৱেষণা গ্ৰন্থ ৰচনা কৰিছিল। আনন্দৰাম বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ, ৰামায়ন বাক্যামৃত আদি তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ। বিশিষ্ট সংস্কৃত পণ্ডিতজনৰ বিয়োগ অসমৰ সংস্কৃত গৱেষণা ক্ষেত্ৰৰ বাবে এক অপূৰণীয় ক্ষতি।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ দশমিক ৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১২ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত ঠাই বিশেষে পাতলীয়া বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে।

০০০০০

সমাপ্ত